16/06/21

①

অসমৰ জনসংখ্যা-

Population of Assam

Page 358

2.39% ভাৰতৰ মাটিকালি অসমৰ ভাগত

Indias 2.39% Land area is in Assam

ভাৰতৰ 2.57% জনসংখ্যা অসমত বাস কৰে

Indias 2.57% population lives in Assam

কুৰি শতিকাত ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ হাৰ 4.31 আৰু এই শতিকাত অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ 8.1%. Growth of $pop^n$ in India during $20^{th}$ century was 4.31 and the growth of population in Assam during $20^{th}$ century was 8.1%

2001 —— $Pop^n$ of Assam 31.16 Million

$pop^n$ Density of India in 2001 was 382/$KM^2$

Assam ———————— 397/$KM^2$

জনসংখ্যাৰ ঘনত্ব

Density (ঘনত্ব)

প্ৰতি বৰ্গ কিঃমিঃ থকা জনসংখ্যাৰ পৰিমাণ

population per squire km

$$\text{Density (ঘনত্ব)} = \frac{\text{মুঠ জনসংখ্যা / Total population}}{\text{Total Area / মুঠ আয়তন}}$$

অসমৰ জনসংখ্যাৰ ঘনত্ব

$$= \frac{31169272}{78438\,KM^2} = 397$$

...কৰা একাংশ ন-অসমীয়াৰ মাজতহে কিছুসংখ্যক এই ধৰ্মাবলম্বী লোক পোৱা যায়। ...
এওঁলোক চহৰবাসী। ইফালে অসমৰ বিভিন্ন ঠাইৰ নিৰ্মাণ আৰু উদ্যোগ প্ৰকৰণৰ ক্ষেত্ৰসমূহত সিঁচৰতি ৰূপত একাংশ উত্তৰ-ভাৰতীয় মূলৰ শিখধৰ্মী লোক পোৱা যায়। যাইকে এওঁলোক পঞ্জাবৰ পৰা অহাৰ কাৰণেই সমগ্ৰ অসমতে শিখ ধৰ্মাবলম্বী অৰ্থত অনানুষ্ঠানিকভাৱে 'পঞ্জাবী' শব্দটোৰ ব্যাপক প্ৰচলন দেখা যায়। অৱশ্যে অসমৰ শিখ ধৰ্মাবলম্বী মাত্ৰেই উত্তৰ ভাৰতৰ সদ্য-প্ৰব্ৰজক শ্ৰেণীটোকে নুবুজায়। এইসকলৰ উপৰিও আমাৰ মাজত নগাঁও জিলাৰ চাপৰমুখ অঞ্চলত বসবাস কৰা হাড়ে-হিমজুৰে অসমীয়া শিখধৰ্মী ফৈদ এটাও আছে। মানৰ আক্ৰমণৰ সময়তে অসমত বসতি স্থাপন কৰা কেইজনমান শিখ যুঁজাৰুৰ বংশোদ্ভৱ এইসকল খিলঞ্জীয়া অসমীয়া শিখধৰ্মীৰ সংখ্যা ২০০১ চনৰ জনগণনা অনুক্ৰমে ৩০৫৫ জন। যানবাহন, কলকব্জা আৰু নিৰ্মাণখণ্ডৰ কাম-কাজত পাকৈত ৰূপে পৰিচিত অসমৰ শিখ ধৰ্মাবলম্বী লোকসকলক কামৰূপ, শোণিতপুৰ, গোলাঘাট, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ চহৰসমূহত সততে লগ পোৱা যায়।

## ২৫.৬ সাক্ষৰতা (Litteracy) ঃ

২০১১ চনৰ জনগণনা অনুসৰি অসমৰ সাক্ষৰতা হাৰ, অৰ্থাৎ ৭ বছৰতকৈ অধিক বয়সস্থ মুঠ জনসংখ্যাৰ শতাংশ ৰূপত সাক্ষৰ লোকৰ সংখ্যা আছিল ৭৩.১৮ শতাংশ। এই মুঠ সাক্ষৰতাৰ পৰিসৰত আকৌ পুৰুষ আৰু নাৰী সাক্ষৰতাৰ হাৰ আছিল যথাক্ৰমে ৭৮.৮১ শতাংশ আৰু ৬৭.২৭ শতাংশ। অতিশয় পৰিতাপৰ বিষয় এয়ে যে একেটা জনগণনাৰ ভিত্তিত সমগ্ৰ ভাৰতত ৰাষ্ট্ৰীয় পৰ্যায়ৰ মুঠ স্বাক্ষৰতা (৭৪.০৪%), আৰু পুৰুষ সাক্ষৰতাৰ (৮২.১৪%) নিৰীখৰ তুলনাত অসমৰ অনুৰূপ সাক্ষৰতা হাৰ কিছু হ'লেও নিম্ন পৰ্যায়ত আছিল। অৱশ্যে নাৰী সাক্ষৰতাৰ ক্ষেত্ৰত সৰ্বভাৰতীয় পৰিসংখ্যাতকৈ (৬৫.৪৬%) অসমৰ স্থান কিছু ওপৰত আছিল। তদনুৰূপ ২০০১-২০১১ চনৰ দশকত সাক্ষৰতাৰ বৃদ্ধিৰ সৰ্বভাৰতীয় নিৰীখ ১৩.০৬ শতাংশৰ বিপৰীতে একেটা দশকত অসমত ১৫.০৭ শতাংশ হাৰত সাক্ষৰতা বৃদ্ধি হৈছিল। অৰ্থাৎ অসমৰ ক্ষেত্ৰত সাক্ষৰতা বৃদ্ধিৰ দ্ৰুতি সমগ্ৰ দেশৰ তুলনাত অলপ হ'লেও বেছি আছিল।

অসমৰ জিলাসমূহৰ ভিতৰত সৰ্বোচ্চ সাক্ষৰতাৰ জিলা হ'ল পৌৰ কামৰূপ (৮৮.৬৬%) জিলা। ৰাজ্যৰ অন্যান্য জিলাসমূহৰ ভিতৰত একাদিক্ৰমে যোৰহাট (৮৩.৪২%), শিৱসাগৰ (৮১.৩৬%), কাছাৰ (৮০.৩৬%), ডিব্ৰুগড় (৭৬.২২%) আৰু হাইলাকান্দি (৭৫.২৬%) জিলাৰ সাক্ষৰতা হাৰ সৰ্বভাৰতীয় নিৰীখৰ ওপৰত থকা দেখা যায়। ইফালে ধুবুৰী (৫৯.৩৬%), দৰং (৬৪.৫৫%), চিৰাং (৬৪.৭১%), বৰপেটা (৬৫.০৩%) আৰু কোকৰাঝাৰ (৬৬.৬৩%) প্ৰভৃতি জিলাসমূহৰ মুঠ সাক্ষৰতা অতিশয় নিম্নমানৰ। নাৰী সাক্ষৰতাৰ লেখেৰে

কৰিমগঞ্জ (৭৯.৭২%), ডিমা হাছাও (৭৮.৯৯%), লখিমপুৰ (৭৮.৩৯%), গোলাঘাট (৭৮.৩১%),

পৌৰ কামৰূপ (৮৫.৮২%), যোৰহাট (৭৮.২২%), শিৱসাগৰ (৭৫.৬৯%), কাছাৰ (৭৪.৬২%), নলবাৰী (৭৩.৮৫%) আৰু হাইলাকান্দি (৭৩.৪৯%) জিলাৰ অৱস্থান তুলনামূলকভাৱে ওপৰত। ইফালে বিশিষ্ট জনগাঁথনিগত কাৰণতে ধুবুৰী (৫৪.২৬%), চিৰাং (৫৭.৮৭%), ওদালগুৰি (৫৯.১৭%) আৰু কোকৰাঝাৰ (৫৯.৫৪%) জিলাৰ নাৰী-সাক্ষৰতা উদ্বেগজনক ভাৱে নিম্ন পৰ্যায়ৰ।

## ২৫.৭ জীৱিকা-বৃত্তি (Occupation) ঃ

২০০১ চনৰ জনগণনা অনুসৰি অসমত সৰ্বমুঠ কৰ্মজীৱীৰ সংখ্যা আছিল ৯৫,৩৮,৫৯১ জন, অৰ্থাৎ মুঠ জনসংখ্যাৰ ৩৫.৭৮ শতাংশ। ইয়াৰে ৭১,১৪,০৯৭ জন কৰ্মজীৱী লোক (working population) পূৰ্ণ পৰ্যায়ত কৰ্মৰত হোৱাৰ বিপৰীতে অৱশিষ্ট ২৪,২৪,৪৯৪ জন আছিল অংশকালীন পৰ্যায়ৰ কৰ্মী। ৰাজ্যখনৰ মুঠ কৰ্মজীৱীৰ ভিতৰত আকৌ ৬৮,৭০,৯৬০ জন পুৰুষ আৰু বাকী ২৬,৬৭,৬৩১ গৰাকী মহিলা কৰ্মজীৱী আছিল। ইফালে ৰাজ্যৰ মুঠ কৰ্মজীৱী লোকৰ ৩৭,৩০,৭৭৩ জন (৩৯.১১%) কৃষক, ১২,৬৩,৫৩২ জন (১৩.২৫%) কৃষিখণ্ডৰ শ্ৰমিক, ৩,৪৪,৯১২ জন (৩.৬২%) ক্ষুদ্ৰ আৰু কুটীৰ শিল্প খণ্ডত আৰু বাকী ৪১,৯৯,৩৭৪ জন (৪৪.০২%) লোক ৰাজ্যখনৰ অন্যান্য উদ্যোগ আৰু সেৱা খণ্ডসমূহত মকৰল হৈ থকা দেখা যায়। এই সকলোবোৰ মকৰল খণ্ডৰ ভিতৰত ক্ষুদ্ৰ আৰু কুটীৰ শিল্পৰ খণ্ডটোত মুঠ কৰ্মজীৱীৰ ৬২.১৮ শতাংশই নাৰীবলেৰে (women force) গঠিত। ইফালে বিভিন্ন উদ্যোগ, পৰিবহন আৰু সেৱাখণ্ডত নাৰীবলৰ অনুপাত মুঠ মকৰলপ্ৰাপ্ত লোকৰ ২২.১২ শতাংশ মাত্ৰ।

ৰাজ্যখনৰ জিলাভেদে কৰ্মৰত লোকৰ অনুপাতত চকুত লগা প্ৰভেদ পোৱা যায়। লখিমপুৰ (৫৩.৯৬%), ধেমাজি (৩৯.০৪%), ডিব্ৰুগড় (৩৯.৮৬%), তিনিচুকীয়া (৪০.৫৫%), শিৱসাগৰ (৪০.৯৩%), যোৰহাট (৪১.৩৫% কি. মি), গোলাঘাট (৪১.০৭%) আৰু কাৰ্বি আংলং (৪০.৬৩%) প্ৰভৃতি জিলাসমূহত মুঠ জনসংখ্যা অনুপাতে কৰ্মজীৱী লোকৰ সংখ্যা ৰাজ্যিক গড় অনুপাততকৈ বেছি। ঘাইকৈ চাহ বাগিচাৰ প্ৰধান্য থকা জিলাসমূহত কৰ্মজীৱীৰ এই অনুপাত সচৰাচৰ বেছি হয়। লখিমপুৰ, ধেমাজি আৰু কাৰ্বি আংলং জিলাৰ বেলিকা আকৌ প্ৰাথমিক খণ্ডৰ বাহিৰে দ্বিতীয়ক, তৃতীয়ক অথবা চতুৰ্থক খণ্ডৰ কাম-কাজ নিচেই সীমিত। সেয়েহে মকৰল প্ৰাপ্তিৰ উদ্দেশ্যে প্ৰশিক্ষণ লোৱাৰ অৱকাশবিহীন পৰিৱেশত প্ৰাপ্তবয়স্ক প্ৰায় প্ৰতিজনেই কৃষিখণ্ডত স্বনিয়োজন বিচাৰি লয়। ইফালে ধুবুৰী (২৮.৭২%), কৰিমগঞ্জ (৩০.০৯%), বৰপেটা (৩১.৩৯%), নগাঁও (৩১.৪৩%) আৰু কাছাৰ (৩২.২৩%) প্ৰভৃতি অতিশয় ঘন বসতিপূৰ্ণ জিলাসমূহ এহাতে শিল্প-উদ্যোগত পিছপৰা আৰু আনহাতে এনেবোৰ জিলাত অধিক লোকক সংস্থাপন দিয়াৰ জোখত কৃষিভূমিও সীমাবদ্ধ। সেয়েহে এনেবোৰ জিলাৰ বুজন পৰিমাণৰ শ্ৰমিক জীৱিকা আৰ্জনৰ উদ্দেশ্যে আন আন জিলালৈ প্ৰব্ৰজন কৰাৰ ফলত এই জিলাসমূহত কৰ্মৰত লোকৰ সংখ্যা যথেষ্ট কমিছে।

কামৰূপ (৬৬.৩৮%), কাছাৰ (৬৩.৬৪%), ডিব্ৰুগড় (৬৩.৪%), তিনিচুকীয়া (৬১.৬৪%), শিৱসাগৰ (৫৭.৬৭%) প্ৰভৃতি জিলাসমূহত মুঠ কৰ্মৰত লোকৰ বুজন অংশ একোটা দ্বিতীয়ক, তৃতীয়ক অথবা চতুৰ্থক খণ্ডত মকৰলপ্ৰাপ্ত অৱস্থাত পোৱা যায়। উদ্যোগ, বাণিজ্য, প্ৰশাসন, পৰিবহন আৰু অন্যান্য সেৱাখণ্ডসমূহৰ সম্প্ৰসাৰণ নঘটাৰ হেতু মৰিগাঁও (২৭.৭৫%), লখিমপুৰ (২২.৩৬%) আৰু ধেমাজি (১৯.৮৬%) প্ৰভৃতি জিলাসমূহত এনেবোৰ খণ্ডত মকৰলপ্ৰাপ্ত লোকৰ সংখ্যা মুঠ কৰ্মৰত লোকৰ সংখ্যা অনুপাতে নিচেই সীমিত হোৱা দেখা যায়।

□□□□□

... দিয়া অৰ্থনৈতিক আৰু ৰাজনৈতিক সংকটৰ লগতে আন্তৰ্জাতিক সীমাৰেখাত উপযুক্ত ...ৰবাৰ অভাৱেই অসমত অনুপ্ৰবেশকাৰী লোকৰ সংখ্যাধিক্য ঘটাবো ঘাই কাৰণ। ইফালে অসমত লাহে লাহে বৃদ্ধি পোৱা শিল্প উদ্যোগসমূহলৈ সুদক্ষ অথবা অদক্ষ শ্ৰমিকৰ সোঁতৰ বিপৰীত দিশত অসমৰ পৰা ভাৰতৰ অন্য প্ৰদেশলৈ নিয়োগসূত্ৰে প্ৰব্ৰজন ঘটা প্ৰৱসী অসমীয়াৰ সংখ্যা নিচেই নগণ্য। সেয়েহে ৰাষ্ট্ৰৰ ভিতৰত আন্তঃআঞ্চলিক জনপ্ৰব্ৰজন সম্পূৰ্ণ বিধিসম্মত যদিও অসমৰ জনসংখ্যা আৰু আৰ্থ-সামাজিক গাঁঠনিৰ ওপৰত ইয়াৰ কু-প্ৰভাৱ নুই কৰিব নোৱাৰি।

অসমৰ জনগাঁথনিৰ থূলমূল আভাস লোৱাৰ উদ্দেশ্যে ৰাজ্যখনৰ সামগ্ৰিক জনদৃশ্যপটৰ লিংগ অনুপাত (Sex Ratio), বয়সভিত্তিক গাঁথনি (Age Structure), সামাজিক গাঁথনি (Social Composition), ধৰ্মীয় গাঁথনি (Religious Structure), সাক্ষৰতা (Literacy) আৰু জীৱিকা অথবা বৃত্তিগত গাঁথনি (Occupation Structure) প্ৰভৃতি ভালেমান উপাদানক সংকতক (Indicator) হিচাপে গ্ৰহণ কৰিব পাৰি। তলত ইয়াৰ দুটামান উপাদানৰ আধাৰত ৰাজ্যখনৰ জনগাঁথনিৰ এটি প্ৰতিৰূপ দাঙি ধৰা হ'ল।

## ২৫.১ লিংগ অনুপাত (Sex Ratio) ঃ

লিংগ অনুপাত অৰ্থাৎ প্ৰতি হেজাৰ পুৰুষৰ বিপৰীতে থকা নাৰী জনসংখ্যাক জনসমষ্টি এটাৰ আৰ্থ-সামাজিক আৰু কল্যাণ সম্পৰ্কীয় জোখ-মাখৰ সংকেতক হিচাপে গ্ৰহণ কৰিব পাৰি। জনসমষ্টি এটাত পুৰুষ আৰু নাৰীৰ সংখ্যা আৰু আৰ্থ-সামাজিক প্ৰকৰণত এওঁলোকৰ সমমানৰ অংশগ্ৰহণ কাৰ্যই জনসমষ্টিটোৰ আৰ্থ-সামাজিক স্থিৰতা আৰু কল্যাণ প্ৰাপ্তিৰ অৱস্থা সুনিশ্চিত কৰে। ২০১১চনৰ জনগণনা অনুসৰি অসমত প্ৰতি হেজাৰ পুৰুষৰ বিপৰীতে নাৰীৰ সংখ্যা মাত্ৰ ৯৫৪গৰাকী। লিংগানুপাতৰ এই পৰিসংখ্যা সৰ্বভাৰতীয় নিৰীখতকৈ (৯৪০) কিঞ্চিৎ উচ্চ পৰ্যায়ৰ বুলিব পাৰি।

মৰিগাঁও জিলাত অসমৰ সকলো জিলাৰ ভিতৰতে সৰ্বাধিক (৯৭৭ সহস্ৰাংশ) নিৰীখৰ লিংগানুপাত পোৱা যায়। জিলাখনৰ বুজনসংখ্যক পুৰুষ ধন উপাৰ্জনৰ উদ্দেশ্যে ৰাজ্যৰ অন্যান্য অঞ্চলত বসতি কৰাৰ কাৰণেই এনে হোৱা যেন লাগে।বাক্সা (৯৬৭), ওদালগুৰি (৯৬৬),বঙাইগাঁও (৯৬১), কোকৰাঝাৰ (৯৫৮) প্ৰভৃতি জিলাসমূহ আচল অৰ্থত উদ্যোগ অথবা বাণিজ্যিক কাম-কাজৰ ক্ষেত্ৰত যথেষ্ট অনুন্নত (বঙাইগাঁও চহৰখনহে একমাত্ৰ ব্যতিক্ৰম)। সেয়েহে এনেবোৰ জিলাত অন্য অঞ্চলৰ পৰা আহি বসতি কৰা পুৰুষৰ